# এন্ ফ্ৰাঙ্কৰ ডায়েৰী

ক-পাঠভিত্তিক ক্ৰিয়া-কলাপ

**প্ৰশ্ন ১। তলৰ প্ৰশ্নবিলাকৰ উত্তৰ দিয়া :**

**( ক ) ( ১ ) জন্মসূত্ৰে এন্ ফ্ৰাংক কোন সম্প্ৰদায়ৰ ছাোৱালী আছিল ?**

উত্তৰঃ জন্মসূত্ৰে এন্ ফ্ৰাংক ইহুদী সম্প্ৰদায়ৰ , ছাোৱালী আছিল ।

**( ২ ) এন্  ফ্ৰাংকৰ দেউতাকৰ নাম কি আছিল ?**

উত্তৰঃ এন্  ফ্ৰাংকৰ দেউতাকৰ নাম আছিল অট'  ফ্ৰাংক ।

**( ৩ ) নাজীবাহিনীৰ হাতৰ পৰা ৰক্ষা পাবলৈ তেওঁলাোক ক'ত লুকাই আছিল ?**

উত্তৰঃ নাজীবাহিনীৰ হাতৰ পৰা ৰক্ষা পাবলৈ তেওঁলাোক দুবছৰ কাল এটা পণ্যাগাৰত লুকাই আছিল ।

**( ৪ ) এন্  ফ্ৰাংকে কেতিয়াৰ পৰা কেতিয়ালৈকে দিনলেখা লিখিছিল ?**

উত্তৰঃ এন্ ফ্ৰাংকে ১৯৪২ চনৰ ১২ জুনৰ পৰা ১৯৪৪ চনৰ ১ আগষ্টলৈকে দিনলেখা লিখিছিল ।

**( ৫ ) দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত থকা জাৰ্মান সেনাধ্যক্ষজনৰ নাম কি ? এই সেনাধ্যক্ষজনে ইহুদীসকলক কি কৰিছিল ?**

উত্তৰঃ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত থকা জাৰ্মান সেনাধ্যক্ষজনৰ নাম আছিল এড্ লফ হিটলাৰ । তেওঁ ইহুদীসকলৰ ওপৰত বৰ্বৰ অত্যাচাৰ কৰিছিল । লাখ লাখ ইহুদীক তেওঁ নিজে আৰু সেনাৰ হতুৱাই নৃশংসভাৱে হত্যা কৰিছিল ।

**( খ ) ( ১ ) এন্ ফ্ৰাংকে কিয় দিনলেখা লিখিবলৈ ইচ্ছা কৰিছিল ?**

উত্তৰঃ নাজীবাহিনীৰ বৰ্বৰ অত্যাচাৰৰ পৰা হাত সাৰিবলৈ গাোটেই ফ্ৰাংক পৰিয়াল দুবছৰকাল এটি পণ্যাগাৰত আত্মগাোপন কৰি আছিল । যন্ত্ৰণাকাতৰ এই আত্মগাোপন

জীৱনৰ করুণ কাহিনী ধৰি ৰাখিবলৈকেই তেৰ বছৰীয়া এন্ ফ্ৰাংকে দিনলেখা লিখিবলৈ ইচ্ছা কৰিছিল ।

**( ২ ) দিনলেখাসমূহ এন্ ফ্ৰাংকে কিয় সম্পাদনা কৰিছিল ?**

উত্তৰ দিনলেখাসমূহ পুথি আকাৰে প্ৰকাশ কৰিবলৈ সম্পাদনা কৰিছিল ।

**( ৩ ) অট ' ফ্ৰাংকে পৰিয়ালসহ কিয় পণ্যাগাৰত আত্মগাােপন কৰি আছিল ?**

উত্তৰঃ নাজীবাহিনীৰ বৰ্বৰ অত্যাচাৰৰ পৰা হাত সাৰিবলৈ অট ' ফ্ৰাংকে পণ্যাগাৰত আত্মগাােপন কৰি আছিল ।

**( গ ) 'মানুহতকৈ কাগজৰ ধৈৰ্য বেছি ' বুলি এন্ ফ্ৰাংকে উপলব্ধি কৰিছিল কিয়— বুজাই লিখা ।**

উত্তৰঃ এন্ ফ্ৰাংকে তেৰ বছৰ বয়সতে দিনলেখা লিখিবলৈ আৰম্ভ কৰিছিল । এই দিনলেখাত যন্ত্ৰণাকাতৰ গাােপন জীৱনৰ করুণ অভিজ্ঞতাসমূহ প্ৰতিদিনে লিখি গৈছিল । নাজীবাহিনীৰ পৰা মুক্তি পাই কি কৰোঁ কি নকৰাে এনে ভাবত হতাশ হৈ পৰিছিল । অৱশেষত তেওঁ নিজে লিখা ডায়েৰী অৰ্থাৎ দিনলেখাখনি লগত লৈ হতাশা আঁতৰাবলৈ চেষ্টা কৰিছিল ।

তেতিয়াই তেওঁ উপলব্ধি কৰিছিল— 'মানুহতকৈ কাগজৰ ধৈৰ্য বেছি ' । তেতিয়ালৈকে সেই টোকা বহীখন যাক তেওঁ ' 'ডায়েৰি ' বুলি নামকৰণ কৰিছে , কাকো পঢ়িবলৈ দিয়াৰ কথা ভবা নাছিল । কাৰণ তেতিয়ালৈকে তেওঁ এগৰাকী প্ৰকৃত বন্ধু পাােৱা নাছিল ।

**( ঘ ) এন্  ফ্ৰাংকে নিজকে কিয় অকলশৰীয়া বুলি অনুভৱ কৰিছিল ?**

উত্তৰঃ এন্ ফ্ৰাংকে নিজকে প্ৰথমে অকলশৰীয়া বুলি অনুভৱ কৰিছিল । কাৰণ নাজীবাহিনীৰ হাতত ধৰা পৰাৰ পাছত বন্দী অৱস্থাত দেউতাকৰ বাহিৰে মাক , বায়েক আৰু অন্যান্য লোক অনাহাৰ – অত্যাচাৰত মৃত্যুমুখত পৰে । কিন্তু তাৰ পিছত তেওঁ অকলশৰীয়া নহয়াে বুলি অনুভৱ কৰিছে ।

**প্ৰশ্ন ২। তলৰ শব্দসমূহৰ অৰ্থ লিখা—**

**গণ্য , বৰ্ব , অধিগৃহীত , আড়ম্বৰ , পুঞ্জীভূত , গতানুগতিক , পৰিত্যক্ত , থিৰাং , প্ৰত্যাশিত , শামকটা , অস্ত্ৰোপচাৰ , প্ৰবাদ , উৎসৰ্গা , ভাবমূৰ্তি , সন্নিবিষ্ট ।**

উত্তৰঃ গণ্য – মান্য , মানিবলগীয়া ।

বৰ্বৰ – অসভ্য , অতিদুষ্ট ।

অধিগৃহীত – দখল কৰা ।

আড়ম্বৰ – জাক – জমক ।

পুঞ্জীভূত – একত্ৰিত ।

গতানুগতিক – আগৰ পৰা যেনেকৈ চলি আছে তেনে ।

পৰিত্যক্ত – বৰ্জিত , ত্যাগ কৰা ।

থিৰাং – নিশ্চিত , নিশ্চয় কৰা ।

প্ৰত্যাশিত – নিশ্চিত , ভৰসা কৰিব পৰা ।

শামকটা – অন্ত পৰা , শেষ হাোৱা ।

অস্ত্ৰোপচাৰ – কটাচিঙা কৰা কাৰ্য ।

প্ৰবাদ – আনৰ পৰা শুনা ; মুখে মুখে চলি অহা ।

উৎসৰ্গা – অৰ্পণ ।

ভাৱমূৰ্তি – ধ্যান ধাৰণা ।

সন্নিবিষ্ট – ভালকৈ সমুওৱা , ভালকৈ বহুওৱা ।

**প্ৰশ্ন ৩। ‘কিটি’ কোন ? এন্ ফ্ৰাংকে কিটিক বন্ধু হিচাপে কিয় গণ্য কৰিছিল বুজাই লিখা ।**

উত্তৰঃ ‘কিটি’ হ’ল এন্ ফ্ৰাংকৰ ডায়েৰিখন । এন্ ফ্ৰাংকে লিখা ডায়েৰিখনত তেওঁৰ কল্পনাৰ বহু প্ৰত্যাশিত বন্ধুগৰাকীৰ ভাৱমূৰ্তি বৃদ্ধিৰ কাৰণে একোৱেই নিলিখিলে । এই

ডায়েৰিখনকে তেওঁ তেওঁৰ প্ৰকৃত বন্ধু হিচাপে গণ্য কৰিবলৈ ইচ্ছা কৰিলে আৰু সেইবাবেই তেওঁৰ বন্ধু অৰ্থাৎ ডায়েৰিখনৰ নাম ‘ কিটি ’ ৰাখিলে ।

**প্ৰশ্ন ৪। এন্ ফ্ৰাংকৰ ডায়েৰিখন পুথি আকাৰে প্ৰকাশ হোৱাত কোনে আগভাগ লৈছিল ? তেখেতে এই ডায়েৰিখন কিয় পুথি আকাৰে প্ৰকাশ কৰিছিল ?**

উত্তৰঃ এন্ ফ্ৰাংকৰ ডায়েৰিখন পুথি আকাৰে প্ৰকাশ হোৱাত তেওঁৰ দেউতাক অট ’ ফ্ৰাংকে আগভাগ লৈছিল ।

১৯৪৪ চনৰে কোনোবা এদিন হলেণ্ড চৰকাৰৰ এজন বিষয়াই লণ্ডনৰ পৰা অনাৰ্তাৰ যোগে ঘোষণা কৰিলে যে যুদ্ধ শামকটাৰ পিছত তেওঁ জাৰ্মান অধিগৃহীত অঞ্চলত বাস কৰা যিসকল হলেণ্ডৰ লোকে যুদ্ধৰ সময়ত দুখ – যন্ত্ৰণা ভোগ কৰিছিল তেওঁলোকৰ সাক্ষ্য গ্ৰহণ কৰিব আৰু এইবোৰ জনসাধাৰণৰ বাবে প্ৰচাৰ কৰিব । তেওঁ বিশেষকৈ চিঠি – পত্ৰ আৰু ডায়েৰিৰ কথা উল্লেখ কৰিছিল ।

বিষয়াজনৰ কথাত অনুপ্ৰাণিত হৈ এন্ ফ্ৰাংকে তেওঁৰ ডায়েৰিখনৰ ভিত্তিত এখন পুথি প্ৰকাশ কৰিব বুলি সিদ্ধান্ত কৰিছিল আৰু ডায়েৰিখন সম্পাদনাও কৰিছিল । কিন্তু হঠাতে নাজীবাহিনীৰ হাতত বন্দী হ’ব লগীয়া হোৱাত এন্ ফ্ৰাংকৰ দেউতাক অট ’ ফ্ৰাংকে সেই ডায়েৰিখন এক মূল্যবান সম্পত্তি হ’ব বুলি ভাবি পুথি আকাৰে প্ৰকাশ কৰিছিল ।

সঁচাকৈয়ে এন্ ফ্ৰাংকৰ এই ডায়েৰিখন পিছলৈ এখনি বিশ্ববিখ্যাত গ্ৰন্থত পৰিণত হৈছিল ।

**প্ৰশ্ন ৫। এন্ ফ্ৰাঙ্ক আৰু আইতাকৰ সম্বন্ধ কেনে আছিল ? আইতাকৰ স্মৃতিৰ বাবে তেওঁ কি কৰিছিল ?**

উত্তৰঃ এন্ ফ্ৰাঙ্ক আৰু আইতাকৰ সম্বন্ধ বৰ মধুৰ আছিল । সেই কাৰণেই আইতাকৰ অসুখ হোৱাত আৰু অস্ত্ৰোপচাৰ কৰিবলগীয়া হোৱাত এন্ ফ্ৰাঙ্কে নিজৰ জন্মদিন অনুষ্ঠুপীয়াকৈ পালন কৰিছিল । আইতাকৰ মৃত্যুৰ পিছতো তেওঁৰ আইতাকলৈ বৰকৈ মনত পৰি আছিল । কাৰণ তেওঁ আইতাকক বৰ ভাল পাইছিল ।

সেইকাৰণেই তেওঁৰ জন্মদিনৰ মমবাতিবোৰৰ লগতে আইতাকৰ স্মৃতিত এডাল মমবাতি জ্বলাইছিল ।

**প্ৰশ্ন ৬। পাঠটো পঢ়ি এন্ ফ্ৰাঙ্কৰ সেই সময়ত হোৱা মনৰ ভাবৰ বিষয়ে লিখা ।**

উত্তৰঃ এন্ ফ্ৰাঙ্কে মাত্ৰ তেৰবছৰ বয়সতে ডায়েৰি লিখিবলৈ লৈছিল । তেওঁৰ নিচিনা এজনী ছা োৱালীৰ কাৰণে ডায়েৰি লিখাটো সঁচাকৈয়ে আশ্চৰ্যকৰ অভিজ্ঞতা বুলি তেওঁ ভাবিছিল । তথাপি নাজীবাহিনীৰ বৰ্বৰ অত্যাচাৰ আৰু হত্যালীলাৰ কথা সবিস্তাৰে লিখি ৰখাৰ মনা োভাবেৰে পৰিয়ালসহ পণ্যাগাৰত লুকাই থকা অৱস্থাতে এন্ ফ্ৰাঙ্কে দিনলেখা অৰ্থাৎ ডায়েৰি লিখি গৈছিল ।

তেওঁ ভাবিছিল ডায়েৰিখনত তেওঁৰ মাক – দেউতাক বায়েক আৰু অন্যান্য আত্মীয়সকলৰো বিৱৰণ থাকিব । কেনেকৈ নাজীবাহিনীয়ে ইহুদীসকলৰ ওপৰত বৰ্বৰ অত্যাচাৰ কৰাৰ উপৰিও লাখ লাখ ইহুদীক হত্যা কৰিছে তাৰো বিৱৰণ বিশ্ববাসীক সময়ত জনাব পাৰিব এই ডায়েৰিখনৰ জৰিয়তে ।

এনে মনা োভাব এন্ ফ্ৰাঙ্কৰ আছিল । আইতাককে ধৰি ঘৰৰ পৰিয়াল আত্মীয়সকলৰ প্ৰতি তেওঁৰ আছিল অতি মৰম , শ্ৰদ্ধা আৰু সহানুভূতিৰ ভাব ।

## খ-ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)

**প্ৰশ্ন ৭। পাঠটোত অধি , অনু , প্ৰতি এইকেইটা– উপসৰ্গ যা োগ হৈ হা োৱা শব্দ কেইটা বিচাৰি লিখা ।**

উত্তৰঃ

অধি – অধিগৃহীত , অনু – অনুবাদ , প্ৰতি – প্ৰতিদিনে ,

অনুপ্ৰাণিত , প্ৰতিবিম্ব

অনুষ্টুপীয়াকৈ ,

**প্ৰশ্ন ৮। তলৰ শব্দবা োৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দবা োৰ লিখা ।**

**স্থায়ী , প্ৰকাশ , ভা োগ , স্মৃতি , সমাপ্ত , আড়ম্বৰ , ভাগ্য , ধৈৰ্য ।**

উত্তৰঃ

স্থায়ী – অস্থায়ী ।

প্ৰকাশ – অপ্ৰকাশ , গাােপন ।

ভাােগ – দুৰ্ভোগ ।

স্মৃতি – বিস্মৃতি , পাহৰণি ।

সমাপ্ত – অসমাপ্ত ।

আড়ম্বৰ – অনাড়ম্বৰ ।

ভাগ্য – দুৰ্ভাগ্য ।

ধৈৰ্য – অধৈৰ্য ।

**প্ৰশ্ন ৯ তলৰ শব্দবাােৰৰ প্ৰতিশব্দ লিখা—**

**যন্ত্ৰণা , কৰুণ , কিশাােৰী , মৃত্যু**

উত্তৰঃ

যন্ত্ৰণা – কষ্ট , যাতনা ।

কৰুণ – বেজাৰ , শাােকাবহ , দুখলগা ।

কিশাােৰী – বালিকা , ছাােৱালী ।

মৃত্যু – মৰণ ।

**প্ৰশ্ন ১০। তলৰ বাক্যবাােৰ সৰল বাক্য , যৌগিক বাক্য আৰু জটিল বাক্য অনুসৰি শ্ৰেণী বিভাজন কৰা :**

**( ক ) মই আহিলোঁ আৰু তেওঁ ঘৰলৈ গ’ল ।**

উত্তৰঃ যৌগিক বাক্য ।

**( খ ) ভাল লৰা কাৰণেহে তেওঁ পুৰস্কাৰ পালে ।**

উত্তৰঃ সৰল বাক্য ।

**( গ ) বৰষুণ পৰিছে ।**

উত্তৰঃ সৰল বাক্য ।

**( ঘ ) মই সদায় ভাত খাই স্কুললৈ যাওঁ ।**

উত্তৰঃ সৰল বাক্য ।

**( ঙ ) একমাত্ৰ দেউতাকেই নাজীবাহিনীৰ কৱলৰপৰা জীৱিত ৰূপত বাচি আহিছিল ।**

উত্তৰঃ সৰল বাক্য ।

**( চ ) এন্ ফ্ৰাঙ্কে ১৯৪২ চনৰ ১২ জুনৰ পৰা ডায়েৰি লেখা কাম আৰম্ভ কৰিছিল ।**

উত্তৰঃ সৰল বাক্য ।

**( ছ ) এইবাৰ পিছে তেওঁ ‘মৰমৰ কিটি ‘ বুলি সম্বোধন কৰি লেখা আৰম্ভ কৰিছিল আৰু শেষত ‘তোমাৰ এন্’বুলি সমাপ্ত কৰিছিল ।**

উত্তৰঃ যৌগিক বাক্য ।

**( জ ) জন্মদিনৰ মমবাতিৰ লগতে আইতাকৰ স্মৃতিত এডাল মমবাতি জ্বলোৱা হ’ল ।**

উত্তৰঃ সৰল বাক্য ।

**প্ৰশ্ন ১১। তলৰ বাক্যবোৰ তুলনামূলক বাক্যলৈ পৰিবৰ্তন কৰা ( দুটা আৰু বহুতৰ মাজত )**

**( ক ) সোণ উজ্জ্বল ।**

উত্তৰঃ ৰূপ , তাম আদি ধাতুতকৈ সাোণৰ উজ্জ্বলতা বেছি ।

**( খ ) মীনা মেধাৱী ।**

উত্তৰঃ সীতাতকৈ মীনা মেধাবী । সীতা,ৰীনা,টিনা, এই সকলোতকৈ মীনা মেধাবী ।

**(গ ) অৰুণ ওখ ।**

উত্তৰঃ তৰুণতকৈ অৰুণ ওখ । তৰুণ , বৰুণ , কৰুতকৈ অৰুণ ওখ ।

**( ঘ ) জোনবাই সৰু ।**

উত্তৰঃ সূৰুযতকৈ জোনবাই সৰু । সূৰ্য আৰু পৃথিৱীতকৈ জোনবাই সৰু ।

**( ঙ ) এই কিতাপখন ভাল ।**

উত্তৰঃ এইখনতকৈ এইখন কিতাপ ভাল । এই আটাইবোৰ কিতাপৰ ভিতৰত এইখন কিতাপ ভাল ।

**প্ৰশ্ন ১২। বাক্য ৰচনা কৰা :**

**অনতি পলমে , হাঁহি – ধেমালি , ৰূপান্তৰিত , আত্ম – গাোপন , চিঠি – পত্ৰ , দুখ যন্ত্ৰণ পৰিত্যক্ত , বিশ্ববিখ্যাত , আদান – প্ৰদান , চিন্তা – ভাবনা ।**

উত্তৰঃ **অনতি – পলমে :-** দেৰী নকৰি অনতি – পলমে কামটো কৰিবা ।

**হাঁহি – ধেমালি :-** হাঁহি ধেমালিৰে জীৱনটো কটালেহে সুখ পায় ।

**ৰূপান্তৰিত :-** ৰূপ সাোণলৈ ৰূপান্তৰিত হয় ।

**আত্মগাোপন :-** বিপদৰ উমান পাই সি আত্মগাোপন কৰিলে ।

**চিঠি – পত্ৰ :-** ফোনবাোৰ ওলাোৱাৰ কাৰণে আজিকালি মানুহে চিঠি – পত্ৰ নিলিখাই হল ।

**দুখ – যন্ত্ৰণা :-** মানুহৰ জীৱনত দুখ – যন্ত্ৰণ থাকেই ।

**পৰিত্যক্ত :-** পবিত্যক্ত ঠাইবিলাক বৰ জয়াল হৈ পৰে ।

**বিশ্ববিখ্যাত :-** এন্ ফ্ৰাঙ্কৰ ডায়েৰিখন এখনি বিশ্ববিখ্যাত গ্ৰন্থ ।

**আদান – প্ৰদান :-** আদান – প্ৰদানৰ মাধ্যমেৰে মানুহৰ মাজত আত্মীয়তা গঢ় লৈ উঠে ।

**চিন্তা – ভাবনা :-** চিন্তা – ভাবনাৰেহে সুস্থিৰ সিদ্ধান্ত ল’ব পৰা যায় ।

## গ – জ্ঞান সম্প্ৰসাৰণ

**প্ৰশ্ন১৩। এন্ ফ্ৰাঙ্কৰ ডায়েৰিখনে বিশ্ব সাহিত্যত অন্যতম শ্ৰেষ্ঠ স্থান দখল কৰিবলৈ সক্ষম হৈছে ।**

**এতে এগৰাকী কিশাোৰীৰ বিষয়ে পঢ়ি তাোমাৰাে কিবা এটা কৰাৰ কথা নিশ্চয় মনলৈ আহিব । তুমিও এন্ ফ্ৰাঙ্কৰ দৰে তাোমাৰ দৈনন্দিন কাম – কাজৰ খতিয়ান বিতংকৈ লিখিবা আৰু পাছদিনা কি কি কৰিবা সেই ডায়েৰিতেই লিপিবদ্ধ কৰি ৰাখিবা ।**

উত্তৰঃ নিজেই চেষ্টা কৰা ।

**প্ৰশ্ন১৪। দলত বহি নিজৰ অভিজ্ঞতা প্ৰকাশ কৰা আৰু লগৰীয়াৰ কথা শুনা ।**

**( ক ) কোনাে কামত বা পঢ়া – শুনাৰ ক্ষেত্ৰত বন্ধু বান্ধৱীক সহায় কৰি**

**( খ ) পেলনীয়া বস্তুৰে কামত অহাকৈ কোনাে বস্তু সাজি আৰু তাক ব্যৱহাৰ কৰি**

**( গ ) বাতৰি কাকতৰ শিশু – শিতানৰ ভাল লগা গল্প – সাধু পঢ়ি**

**( ঘ ) সাহিত্য – চ’ৰাবাােৰে অনুষ্ঠিত কৰা শিশু – প্ৰতিযাােগিতাৰ বিভিন্ন শিতানত অংশগ্ৰহণ কৰি**

**( ঙ ) ঘৰত অনুষ্ঠিত কোনা ে উৎসৱ – পাৰ্বণত অংশগ্ৰহণ কৰি**

উত্তৰঃ ওপৰত উল্লেখ কৰা আটাইবোৰ প্ৰশ্নৰ উত্তৰ নিজে দিব'লৈ চেষ্টা কৰা ।

**প্ৰশ্ন ১৩। 'এন্ ফ্ৰাঙ্কৰ ডায়েৰি' পাঠটোত মন , আটক , শব্দযুক্ত হৈ থকা তলৰ খণ্ড বাক্যবা েৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা ।**

উত্তৰঃ **মন পা – ( মন বুজ ) :-** আপা েনজনৰহে মন পাবলৈ সহজ ।

**মন বান্ধ – ( মন – দমা ) :-** টকা – পইচা নাই যেতিয়া ডাঙৰ ঘৰ বন্ধাৰ কথাটোত মন বান্ধ ।

**মন পুতি লাগ – ( মনা েযা েগ দি লাগ ) :-** মনপুতি লাগিলেহে কামত সফল হ'ব পাৰি ।

**মন মাৰ – ( নিৰানন্দ হু ) :-** বেয়া খবৰটো শুনি সি মন মাৰি বহি আছে ।

**মন কৰ – ( ইচ্ছা কৰ ) :-** ভাল কামলৈ সদায় মন কৰিব লাগে ।

**আটক কৰ – ( আবদ্ধ কৰ ) :-** পুলিচে চোৰটোক আটক কৰিলে ।

**আটক ধুনীয়া ( অসাধাৰণ ৰূপে ধুনীয়া ) :-** ঠাইখনি বৰ আটক ধুনীয়াকৈ সজাই তুলিছে ।